# **REGIONAL NEWS UNIT**

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 20-01-2026 **Time :** 1100 Hrs.

0000000000

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত ৱৰ্ল্ড ইক'ন'মিক ফ'ৰামত আজি গোলকীয় ছেমি কণ্ডাক্টৰ উদ্যোগৰ প্ৰতিনিধিসকলৰ বৈঠকত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰিব। এই বৈঠকৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি টাটা গ্ৰুপৰ অধ্যক্ষ এন চন্দ্ৰশেখৰণক সাক্ষাৎ কৰি ফলপ্ৰসূ আলোচনাত মিলিত হয়। ড° শৰ্মাই অসমৰ ছেমি কণ্ডাক্টৰ উদ্যোগক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত টাটা গ্ৰুপৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ কথা উল্লেখ কৰি কয়, যে বিশ্বৰ মুখ্য অংশীদাৰসকলৰ সৈতে একেলগ হৈ ৰাজ্যখনৰ ঔদ্যোগিক পৰিৱেশ সুদৃঢ় কৰাৰ বাবে অসম চৰকাৰ সংকল্পবদ্ধ।

উল্লেখযোগ্য যে অসমৰ প্ৰতিনিধি হিচাপে মুখ্যমন্ত্ৰী ড° শৰ্মাই এই সন্মিলনত অংশগ্ৰহণৰ সুযোগ লাভ কৰাটো তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। এই ফ'ৰামত অংশগ্ৰহণৰ জৰিয়তে অসমে আৰ্থিক ক্ষেত্ৰত অংশীদাৰিত্ব শক্তিশালী কৰা, বিনিয়োগ আকৰ্ষণ কৰা, স্থায়ী উন্নয়ন আৰু প্ৰযুক্তিগত উদ্ভাৱনত ৰাজ্যখনক আগশাৰীলৈ লৈ যোৱাৰ দিশত সহায়ক হ'ব। মুখ্যমন্ত্ৰীয়ে এই ফ'ৰামত কমেও ১৭ খন বৈঠকত অংশ লোৱাৰ লগতে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰাৰ কথা। সন্মিলনৰ ৫৬ সংখ্যক এই বাৰ্ষিক বৈঠকত বিশ্বৰ ৩ হাজাৰৰো অধিক নেতাই অংশগ্ৰহণ কৰাৰ কথা আছে। অহা ২৩ জানুৱাৰীত সন্মিলনৰ সামৰণি পৰিব।

০০০০০০০

৪৫ বছৰ বয়সীয়া নীতিন নবীনক আজি ভাৰতীয় জনতা পাৰ্টীৰ নতুন ৰাষ্ট্ৰীয় সভাপতি হিচাপে আনুষ্ঠানিকভাৱে ঘোষণা কৰা হ'ব। ইয়াৰ পাছতে শ্ৰী নবীনে শপত গ্ৰহণ কৰিব। নীতিন নবীন হ'ব বিজেপিৰ আটাইতকৈ কম বয়সীয়া ৰাষ্ট্ৰীয় সভাপতি। তেওঁৰ সপক্ষে ৩৭ খন মনোনয়ন পত্ৰ লাভ কৰা হৈছিল। সম্প্ৰতি ৰাষ্ট্ৰীয় সভাপতি হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা, কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহ, ৰাজনাথ সিং, নীতিন গাডকাৰীকে ধৰি বিজেপিৰ সংসদীয় দল পৰিষদৰ অন্যান্য সদস্যসকলে এই পদৰ বাবে নীতিন নবীনৰ নাম প্ৰস্তাৱ কৰিছিল।

০০০০০০০

মহানগৰীৰ গণেশপাৰাত যোৱানিশা অনিল ডেকা নামৰ এজন লোকৰ ঘৰত ডকাইতে লুট-পাত চলায়। গণেশপাৰাৰ স্নেহাৰই নামৰ অট্টালিকাত চাৰিজনীয়া ডকাইতৰ দল প্ৰৱেশ কৰি ধন-সোণ, সম্পত্তি লুটি নিয়ে। ভুক্তভোগী পৰিয়ালৰ ভাষ্য অনুসৰি মুখত ক'লা কাপোৰ পৰিধান কৰি অহা ডকাইতৰ দলটোৱে পিষ্টল আৰু চোকা অস্ত্ৰৰে ভাবুকি প্ৰদান কৰিছিল। এই ঘটনাৰ পাছতে অট্টালিকাটোত ফটাশিল আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে। ডকাইতে অট্টালিকাটোত লুট-পাত চলোৱাৰ সমগ্ৰ দৃশ্য চি চি টি ভিত আৱদ্ধ হৈছিল। লগতে ডকাইতৰ দলটোৱে পৰিয়ালৰ সদস্যক ভয়-ভাবুকি আৰু আক্ৰমণ কৰাৰো দৃশ্য বন্দী হৈছিল। চি চি টি ভিৰ দৃশ্য সংগ্ৰহ কৰি আৰক্ষীয়ে ইতিমধ্যে ডকাইতৰ দলটোৰ বিৰুদ্ধে অভিযান চলাইছে। এই ঘটনাৰ পাছতে সমগ্ৰ অঞ্চলটোত আতংক বিৰাজ কৰিছে।

০০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত পৰহিলৈৰ পৰা ২৪ জানুৱাৰীলৈ  তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ’ব। মেলা সমিতিয়ে ইতিমধ্যে ইয়াৰ বাবে প্ৰস্তুতি চলাইছে। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। পৰহিলৈ পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ’ব। সেইদিনাই পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। ২৩ জানুৱাৰীৰ  কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ’ব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব অনুষ্ঠিত হ’ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ’ব।

০০০০০০০০

সমাগত গণৰাজ্য দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ব্যাপক আয়োজন কৰা হৈছে। দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনৰ উদ্যোগত হাটশিঙিমাৰী মহাবিদ্যালয় খেলপথাৰত কেন্দ্ৰীয়ভাৱে ৭৭ সংখ্যক গণৰাজ্য দিৱস উদযাপন কৰা হ’ব। গণৰাজ্য দিৱসৰ পেৰেডৰ বাবে খেল-পথাৰসমূহত ১৮ জানুৱাৰীৰ পৰা অনুশীলন অনুষ্ঠিত হৈছে। অসম আৰক্ষী, বেটেলিয়ন, গৃহৰক্ষী জোৱান, ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ লগতে বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে পেৰেডৰ অনুশীলন চলাইছে। গণৰাজ্য দিৱস উপলক্ষে জিলাখনত ইতিমধ্যে কটকটীয়া নিৰাপত্তা ব্যৱস্থা গঢ়ি তোলা হৈছে।

০০০০০০০

———চীনৰ মাকাওত অনুষ্ঠিত প্ৰথম আন্তঃৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত শিৱসাগৰৰ বিৰিণা গোৱালাই সোণৰ পদক লাভ কৰি ৰাজ্যৰ লগতে দেশলৈ গৌৰৱ কঢ়িয়াই আনিছে। ১৪ আৰু ১৫ জানুৱাৰীত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় এই যোগাসন প্ৰতিযোগিতাত চাৰিটা পৰ্যায়ত অনুষ্ঠিত ট্ৰেডিচনেল শাখাত বিৰিণাই সোণৰ পদক লাভ কৰে। বিৰিণাই লগতে আৰ্টিষ্টিক পেয়াৰ আৰু ৰিডমিক পেয়াৰত দ্বিতীয় স্থান আৰু চেম্পিয়ন অৱ্ দা চেম্পিয়নত দ্বিতীয় ৰানাৰ আপ খিতাপ অৰ্জন কৰে। উল্লেখযোগ্য যে ২০২৫ বৰ্যত গুজৰাটত অনুষ্ঠিত ৰাষ্ট্ৰীয় পৰ্যায়ৰ যোগাসন প্ৰতিযোগিতাত চেম্পিয়নৰ খিতাপ অৰ্জন কৰি বিৰিণাই চীনৰ মাকাওৰ আন্তঃৰাষ্ট্ৰীয় যোগাসন প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবলৈ নিৰ্বাচিত হৈছিল। কালি ডিব্ৰুগড়ত উপস্থিত হোৱা খেলুৱৈগৰাকীক চৰাইপাৰা গাঁও উন্নয়ন সমিতি, টেক্সিআলি মিচিং উন্নয়ন সমিতি, মিলনজ্যোতি সংঘ আৰু টেক্সিআলি ভকত সমাজে আদৰণি জনায়।

০০০০০০০

**সমাপ্ত**